অকঁণিহতঁৰ বাবে বাইবেলখন

আগবঢ়াইছে



# নোহ আৰু মহা জলপ্লাৱন

লিখিছে: Edward Hughes

ব্যাখ্যা কৰিছে: Byron Unger; Lazarus

গ্ৰহন কৰিছে: M. Maillot; Tammy S.

অনুবাদ কৰিছে: ড: শান্তি ৰাণী সিং, এম, এচ, চি. পি এইচ. ডি.

প্ৰকাশ কৰিছে: Bible for Children
www.M1914.org

©2011 Bible for Children, Inc.
অনুমতি: এইট কাহিনীটো নকল বা ছপা কৰা অধিকাৰ আপোনাৰ আছে,
কিন্তু হটয়াক বিক্ৰি নকৰিব।

নোহ ঈশ্বৰক আৰাধনা কৰা
লোক আছিল। আন সকলোৱেহট
ঈশ্বৰক ঘৃণা কৰিছিল আৰু তেওঁৰ
অবাধ্য আছিল।



এদিন ঈশ্বৰে নোহক

এক আশ্চৰ্য্যজনক কথা কলে,

“দুষ্টতাৰে পৰিপূৰ্ণ এহট পৃথিৱীখনক

মহট বিনষ্ট কৰিম।”



“কেৱল

তোমাৰ

পৰিয়ালে

ৰক্ষা পাব।”



ঈশ্বৰে নোহক সাৱধান কৰি দিছিল যে, “এক মহা জলপ্লাবন হব আৰু পৃথিৱী ঢাকি ধৰিব।” নোহক আদেশ দিয়া হৈছিল, . . .



...“কাঠেৰে এখন জাহাজ নিৰ্ম্মাণ কৰা, এখন হটমান প্ৰকাণ্ড নাওঁ যত তোমাৰ পৰিয়াল আৰু অনেক জীৱ-জন্তু থাকিব পাৰিব”। নোহক ঈশ্বৰে সঠিক নিৰ্দ্দেশ দিছিল। নোহ ব্যস্ত হৈ পৰিল!




জাহাজখন কিয় নিৰ্ম্মাণ
কৰিছে, এইটো কথা
বুজাইটো
দিওঁতে
লোকবিলাকে
স ৱ তেওঁক
ঠাট্টা কৰিছিল।



কিন্তু নোহে নিৰ্ম্মাণ কাৰ্য্য চলাইহট থাকিল।

লোকবিলাকৰ আগত তেওঁ ঈশ্বৰৰ বিষয়েও কৈ থাকিল। কোনেও তেওঁৰ কথা নুশুনিলে।



নোহৰ দৃঢ় বিশ্বাস আছিল।
আগতে কেতিয়াও বৰষুণ
নপৰা সত্তেও তেওঁ ঈশ্বৰক
বিশ্বাস কৰিছিল।


নানা বিধ সামগ্ৰীৰে পূৰ কৰিব
পৰাকৈ জাহাজখনৰ নিৰ্ম্মাণ
কাৰ্য্য সম্পূৰ্ণ হৈ উঠিছিল।

এতিয়া জন্তুবোৰ আহিল। কোনো কোনো প্ৰজাতিৰ সাত বিধ
আন কিছুমানৰ দুবিধ লৈছিল।



বৃহত্ আৰু সৰু আকাৰৰ চৰাইটবোৰ, ক্ষুদ্ৰ ক্ষুদ্ৰ আৰু উখ, উখ
পশুবোৰ জাহাজখনলৈ আগবাঢ়িব ধৰিলে।





জন্তু আৰু পশুবোৰ জাহাজ উঠাওতে
লোকবিলাকে নিশ্চয়ে নোহক ঠাট্টা আৰু
তিৰস্কাৰ কৰি চিঞৰিছিল।

ঈশ্বৰৰ অহিতে পাপ কৰিবলৈ তেওঁলোকে বাদ দিয়া নাছিল। জাহাজত সোমাবলৈ তেওঁলোকে নোহৰ অনুমতি বিচৰা নাছিল।





অৱশেষত
সকলোবোৰ
জন্তু, পশু
আৰু চৰাহটবোৰ
জাহাজখনত
সোমাহট পৰিল।



ঈশ্বৰে নোহৰ
নিমন্ত্ৰণ কৰিলে,
“জাহাজখনলৈ
সোমাহট আহাঁ”।
“তুমি আৰু তোমাৰ
পৰিয়াল”।


নোহ, তেওঁৰ ভাৰ্য্যা,
তেওঁৰ তিনিজন
পুত্ৰ আৰু তেওঁলে
াকৰ ভাৰ্য্যাসকলে
জাহাজখনত প্ৰৱেশ
কৰিলে। তাৰ পিছত ঈশ্বৰে
জাহাজখনৰ দুৱাৰ
খন বন্ধ কৰি দিলে!



তাৰ পিছত বৰষুণ আহিল। চল্লিশ দিন আৰু চল্লিশ ৰাতি ধাৰাসাৰ বৰষুণে পৃথিৱীখন বুৰাই পেলাইছিল।



জলপ্লাৱনে নগৰ
আৰু গাওঁবোৰ বুৰাই
পেলাইছিল।



যেতিয়া
বৰষুণ এৰিলে,
তেতিয়া পৰ্ব্বতসমূহো
পানীৰ তলত বুৰ গৈ আছিল। উশাহ-নিশাহ
লোৱা সকলোৰে মৃত্যু হৈছিল।



পানী ওপৰলৈ উঠি অহাত,
জাহাজখন উপঙি বলৈ
ধৰিলে। ভিতৰখন অন্ধকাৰ,
উখোৰা-মোখোৰা আৰু হয়তো
ভয় লগাও আছিল। কিন্তু
জাহাজখনে নোহক জলপ্লাৱনৰ
সময়ত আশ্ৰয় দিছিল।

জলপ্লাৱনৰ পাঁচ মাহৰ পিছত, শুকাবলৈ ঈশ্বৰে বতাহ বলোৱালে। ধীৰে ধীৰে, ওখ পৰ্ব্বত মালা অৰাৰটট্ত জাহাজখন ৰৈ গ'ল।



পানী কমি নহালৈকে নোহ আৰু চল্লিশ দিন
জাহাজখনৰ ভিতৰত থাকিল।



জাহাজখনৰ খোলা খিড়িকীৰে নোহে এজনী ঢ়োঁৰা কাউৰী আৰু কপৌ চৰাইহট উড়ুৱাইহট পঠালে। জিৰণি লবলৈ শুকান, পৰিস্কাৰ ঠাইহট বিচাৰি নোপোৱাত, কপৌ চৰাইহট জনী নোহৰ ওচৰলৈ উভতি আহিছিল।



এসপ্তাহৰ পিছত নোহে পুনৰ চেষ্টা কৰিলে। জিত বৃক্ষৰ এখিলা নতুন পাত ঠোঁটটত লৈ কপৌজনী উভতি আহিছিল।



পিছৰ সপ্তাহত নোহে বুজিছিল
যে পৃথিৱীৰ পানী শুকাইছৈছে
কিয়নো কপৌজনী আৰু
উভতি নাহিল।


ঈশ্বৰে নোহক কলে যে, এতিয়া জাহাজখনৰ পৰা ওলাহট অহা
সময় হৈছে। নোহ আৰু তেওঁৰ পৰিয়ালে
একে-লগে মিলি
জাহাজখনৰ পৰা জন্তুবোৰ
ওলাহট
আনিলে।

নিশ্চয়ে নোহ বৰ কৃতজ্ঞ হৈছিল। তেওঁ এক যজ্ঞবেদী নিৰ্ম্মাণ কৰি, ঈশ্বৰৰ আৰাধনা কৰিলে, যি জনাইট তেওঁ আৰু তেওঁৰ পৰিয়ালক ভয়ানক জলপ্লাবনৰ পৰা ৰক্ষা কৰিলে।





ঈশ্বৰে নোহলৈ এক আচৰিত প্ৰতিজ্ঞা কৰিছিল। মানুহৰ পাপৰ বিচাৰ কৰিবলৈ তেওঁ

কেতিয়াও জলপ্লাবন নপঠাহটা। ঈশ্বৰে তেওঁৰ প্ৰতিজ্ঞাৰ এক মহান সুৰঁৰণি দিছিল।


মেঘ ধনুৰে
ঈশ্বৰৰ প্ৰতিজ্ঞাৰ
চিহ্ন আছিল।

জলপ্লাৱনৰ পিছত

নোহ আৰু তেওঁৰ পৰিয়ালে

আৰ ণিৰ কাৰণে নতুন নতুন

পথ বিচাৰি পাহটছিল।



সময়ত তেওঁৰ

বংশধৰ সকলে গোটেইট

পৃথিৱী জুৰিলে। পৃথিৱীৰ

সকলোবোৰ জাতি তেওঁৰ

সন্তানসকলৰ



পৰাহট উৎপন্ন হৈছিল।

# নোহ আৰু মহা জলপ্লাবন

ঈশ্বৰৰ বাক্য, বাইবেলত,

এইটো কাহিনী পোৱা যায়

আদিপুস্তক ৬ - ১০ অধ্যায়

“তোমাৰ বাক্য প্ৰকাশে দীপ্তি দিয়ে।”
গীতমালা ১১৯: ১৩০ পদ।

# সমাপ্ত

বাইবেলৰ এইটো কাহিনীয়ে আমাক আমাৰ আশ্চৰ্য্যজনক ঈশ্বৰৰ বিষয়ে কয়, যিজনাইটো আমাক নিৰ্ম্মাণ কৰিলে আৰু যি জনাইটো আমি তেওঁৰ বিষয়ে জনাতো বাঞ্চা কৰে।

ঈশ্বৰে জানে যে আমি বেয়া কাম কৰিলো, যাক তেওঁ পাপ বুলি আখ্যা দিছে। পাপৰ শাস্তি হৈছে মৃত্যু, কিন্তু ঈশ্বৰে তোমাক ইমান প্ৰেম কৰে তেওঁ নিজৰ একমাত্ৰ পুত্ৰ যীচুক পঠাইটো দিছিল, যাতে তেওঁ তোমাৰ পাপৰ কাৰণে শাস্তি পাইটো ক্ৰুচত মৃত্যু বৰণ কৰে। তাৰ পিছত যীচু জীৱিত হ'ল আৰু তেওঁৰ ঘৰ স্বৰ্গলৈ গ'ল! তুমি যদি যীচুত বিশ্বাস কৰা আৰু তোমাৰ পাপবোৰ ক্ষমা কৰিবলৈ কোৱা, তেতিয়া তেওঁ নিশ্চয়ে কৰিব! তেওঁ এতিয়াইটো আহি তোমাত নিবাস কৰিব, আৰু তুমি চিৰকাল তেওঁ লগত নিবাস কৰিবা।

তুমি যদি এইটো সত্যত বিশ্বাস কৰা, তেতিয়া ঈশ্বৰক এইদৰে কোৱা:
প্ৰিয় যীচু, মই বিশ্বাস কৰো যে, আপুনি ঈশ্বৰ, মোৰ পাপৰ কাৰণে মৃত্যু বৰণ কৰিবলৈ আপুনি মানুহৰ ৰূপ ধাৰণ কৰিলে, আৰু এতিয়া আপুনি আকৌ জীৱিত। মোৰ জীৱনলৈ আহঁক আৰু মোৰ পাপবোৰ ক্ষমা কৰক, যাতে এতিয়া মই নতুন জীৱন পাব পাৰো, আৰু এদিন চিৰদিনৰ কাৰণে আপোনাৰ লগত থাকিবলৈ আপোনাৰ ওচৰলৈ যাব পাৰো। আপোনাৰ বাধ্য হৈ আপোনাৰ সন্তানৰ দৰে আপোনাৰ কাৰণে জীয়াই থাকিবলৈ মোক সহায় কৰক। আমেন।

বাইবেলখন পঢ়া আৰু প্ৰতিদিনে ঈশ্বৰৰ লগত কথোপকথন কৰা!
যোহন ৩: ১৬ পদ।